# Telephone Conversation between Prime Minister and H.E. Ursula Von Der Leyen, President of the European Commission

March 24, 2020

---

# প্ৰধানমন্ত্ৰী মোডী আৰু ইউৰোপ আয়োগৰ অধ্যক্ষ মহামহিম উৰ্ছুলা ভন ডাৰ লেয়েনৰ সৈতে টেলিফোনিক বাৰ্তালাপ

মাৰ্চ 24, 2020

ইউৰোপ আয়োগৰ অধ্যক্ষ মহামহিম উৰ্ছুলা ভন ডাৰ লেয়েনৰ সৈতে আজি প্ৰধানমন্ত্ৰীয়ে টেলিফোন যোগে বাৰ্তালাপ কৰে। দুয়োগৰাকী নেতাই কোভিড- ১৯ মহামাৰীৰ সন্দৰ্ভত বৈশ্বিক পৰিস্থিতিৰ বিষয়ে আলোচনা কৰে।

কোভিড-১৯ৰ কাৰণে ইউৰোপীয়ান সংঘত অকালতে মৃত্যুক সাৱটি লোৱা সকলৰ বাবে প্ৰধানমন্ত্ৰীয়ে শোক প্ৰকাশ কৰে। এই মহামাৰীৰ সৈতে যুঁজ দিবলৈ সকলোবোৰ ৰাষ্ট্ৰৰ মাজত সমন্বয় আৰু সহযোগিতাৰ বিষয়টোত তেখেতে গুৰুত্ব প্ৰদান কৰে। প্ৰধানমন্ত্ৰী গৰাকীয়ে লগতে কৰোনা ভাইৰাছৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে ভাৰতে অৱলম্বন কৰা পদক্ষেপসমূহৰ বিস্তাৰিতভাৱে বৰ্ণনা কৰে।

শ্ৰীমতী ভন ডেৰ লেয়েনে উল্লেখ কৰে যে প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত তত্কালীনভাৱে গ্ৰহণ কৰা ব্যৱস্থাৱলীৰ পৰিপেক্ষিততে ব্যধিবিধে ভাৰতত ক্ষীপ্ৰতাৰে সংক্ৰমণৰ সৃষ্টি কৰিব পৰা নাই। তেওঁ এই অভাৱনীয় পৰিস্থিতিত ভাৰতত থকা ইউৰোপৰ নাগৰিকসকলৰ প্ৰতি আগবঢ়োৱা সহযোগিতাৰ বাবেও সন্তুষ্টি প্ৰকাশ কৰে।

শ্ৰীমতী ভন ডেৰ লেয়েনে ঔষধ-পাতি আৰু প্ৰতিষেধক টীকা বিকশিত কৰাৰ ক্ষেত্ৰত সমন্বিত প্ৰয়াস অব্যাহত ৰখাৰ লগতে সকলো অত্যাৱশ্যকীয় সা-সামগ্ৰীৰ যোগান তত্পতাৰে অব্যাহত ৰখাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে।

অচিৰেই অনুষ্ঠিত হবলগীয়া ভিডিঅ কনফাৰেন্সত জি- ২০ দেশসমূহৰ মাজত এই সন্দৰ্ভত সহযোগিতাৰ পৰিৱেশ সৃষ্টিৰ প্ৰসংগতো দুয়োগৰাকী নেতাই মত বিনিময় কৰে।

**নতুন দিল্লী**
**মাৰ্চ 24, 2020**

DISCLAIMER : This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.